জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...শতিতম বছৰ, সংখ্যা ১৫০ ● শুকুৰবাৰ ● ২৪ মাঘ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday February 7, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱ...



...াৰ পাঠ।

## কানৈ মহাবিদ্যালয়ত 'শিক্ষাবিজ্ঞানৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা' শীৰ্ষক আলোচনা চক্ৰ

# 'নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতাক গুৰুত্ব দি কৌশললেৰে আগুৱাই গ'লে সফল হ'ব পাৰে'

ডিব্ৰুগড ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ ফেব্ৰুৱাৰী ঃ 'জীৱনত নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতাত অধিক গুৰুত্ব দি কৌশললেৰে আগুৱাই গ'লে সফল হ'ব পাৰে।' ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগ, শিক্ষাতত্ত্ব বিভাগ, মনোবিজ্ঞান বিভাগ আৰু দৰ্শন বিভাগৰ উদ্যোগত আৰু আছাম ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ সহযোগত আজি অনুষ্ঠিত আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে আসাম ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (শৈক্ষিক) ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে এইদৰে কয়। 'শিক্ষাবিজ্ঞানৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা' শীৰ্ষক বিষয়ত অনুষ্ঠিত আলোচনা চক্ৰখনত ড° বুঢ়াগোহাঁয়ে কয়, জীৱনত নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতাক অধিক বুজিব লাগিব, জানিব লাগিব আৰু গুৰুত্ব দিব লাগিব। মুখ্যদ্বাৰৰ পৰা আৰতি কৰি এন চি চি কেডেটে আদৰণি জনাই সভাগৃহলৈ নিয়া আলোচনা চক্ৰখনত তেওঁ কয়, আমি এটা ভাষা জানিলেই নহ'ব, আমি সেই ভাষাটো শুদ্ধকৈ ক'ব পাৰিব লাগিব। মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা ড° মনীষা ডেকাই আঁত ধৰা আলোচনা চক্ৰখনত ড° বুঢ়াগোহাঁয়ে কয়, ছাত্ৰ-ছাত্ৰীসকলে কেৱল পাঠ্যক্ৰমৰ শিক্ষাৰ ওপৰতে নিৰ্ভৰ কৰিলে নহ'ব, নিজে চাব জানিব লাগিব। নিজৰ চকুৰে জীৱন আৰু জগত চাবলৈ শিকিব লাগিব। নিজৰ চকুৰে চাই শিকাটো পাঠ্যক্ৰমৰ শিক্ষাতকৈ অধিক মূল্যৱান। শিক্ষা, জ্ঞান, দক্ষতাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ সমপৰিমাণে মূল্যবোধৰ ওপৰতো গুৰুত্ব দিব লাগিব। জীৱনত একাগ্ৰতা, ধৈৰ্য, সততা, মূল্যবোধ থাকিলেহে সফল হ'ব পাৰে। আমি সীমিত চিন্তাধাৰাৰ মাজত আবদ্ধ থাকিলে নহ'ব, আমি চিন্তা গভীৰ কৰিব লাগিব। মহাবিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা আলোচনা চক্ৰখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অধ্যক্ষ ড° শইকীয়াই কয়, যুৱ প্ৰজন্ম ক'লৈ গৈ আছে নাজানিলে দেশে কেতিয়াও উন্নতিৰ শিখৰত আগুৱাব নোৱাৰে। সাম্প্ৰতিক সময়ৰ যুৱ প্ৰজন্মই সমস্যা সমাধানৰ কৌশল আহৰণ কৰাৰ পৰা তথ্য প্ৰযুক্তিৰ উত্তৰণৰ পৰ্যায়লৈকে সকলো জ্ঞান নিয়মীয়াকৈ আহৰণ কৰি থাকিব লাগিব। দৈনিক ন ন শিক্ষা, জ্ঞান আহৰণ কৰিব নোৱাৰিলে আজিৰ প্ৰতিযোগিতামূলক পৃথিৱীত জীয়াই থকাটো অতি কঠিন বুলি তেওঁ কয়। অনুষ্ঠানত কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈয়ে কয়, আমি কেতিয়াও কোনো এটা কাম কৰিব নোৱাৰিম বুলি ভবা উচিত নহয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, কানৈ মহাবিদ্যালয়ৰ লগতে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানতে আসাম ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (শৈক্ষিক) ড° অলক কুমাৰ বুঢ়াগোহাঁইক কানৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সম্বৰ্ধনা-পত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত স্থিৰ চিত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যাপিকা দেৱলীনা দত্তই।

ৰাই জৰ...
কাৰণতে...
সকলো প...
সম্পাদন...
উক্ত চি...
বিশেষভ...
কাৰ্ডিঅ'...
নন্দমুৰি,...
আৰু অ...
ৰাজখোৱ...
লগতে ড...
চিকিৎসক...
ৰোগৰ...
বিশেষকৈ...
শিবিৰটো...
অন্যান্য ব...
এই সুবিধ...
জি আৰু...
শিবিৰটো...
ৰোগৰ ঔ...
বুলিও জা...